# ৰাষ্ট্ৰীয় সুৰক্ষাৰ বিষয়ৰ ওপৰত জনমত সংগ্ৰহ হ'ব লাগে নে ?

অৰুণ জেটলী

ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

আম আদমী পাৰ্টিৰ এজন জেষ্ঠ নেতাই পৰামৰ্শ দিছে যে কাশ্মীৰ ঘাটিত সেনাৰ উপস্থিতিৰ বিষয়ৰ ওপৰত ঘাটিৰ লোকৰ জনমত সংগ্ৰহৰ দ্বাৰা নিৰ্নয় কৰা যাব লাগে । ঠিক একেজন নেতায়ে ২ বছৰৰ পুৰ্বে পৰামৰ্শ দিছিল যে জনমত সংগ্ৰহৰ জড়িয়তে জন্মু আৰু কাশ্মীৰৰ জনগনে স্বাধীনভাৱে নিজে সিদ্ধান্ত ল'ব লাগে যে তেওঁলোক ভাৰতৰ সৈতে থাকিব বিচাৰেনে নাই ।

যদিও চৰ্দাৰ পেটেলে ৰাজ্যক অখণ্ডতা প্ৰদান কৰিছিল, কিন্তু জন্মূ আৰু কাশ্মীৰ জড়িত সকলো বিষয়ৰ ওপৰত সিদ্ধান্ত কেৱল তেতিয়া জৱাহৰলাল নেহৰুৱেহে লৈছিল । জন্মূ আৰু কাশ্মীৰৰ ক্ষেত্ৰত তেওঁ কৰা দুৰৱস্থা এতিয়াও পৰিলক্ষিত হৈছে । নেহৰুৰ পৰামৰ্শৰ ভিত্তিত এটি বেলেগ মৰ্য্যদা দিয়াৰ ওপৰিও 'জনসাধাৰণৰ মনোকামনা'ও বিচাৰ কৰিব । এনে ধৰণৰ ব্যৱস্থা আন ৰজাই শাসন কৰা ৰাজ্য যি ভাৰতৰ লগত অন্তৰ্ভূক্ত হৈছিল, তেওঁলোকৰ বাবে এয়া প্ৰযোজ্যও নাছিল । জনমত সংগ্ৰহৰ বিষয় আন্ত:ৰাষ্ট্ৰীয়কৰণ কৰি পাকিস্থানে জন্মু আৰু কাশ্মীৰৰ কিছুমান ঘাটি দখল কৰিব'লৈ সক্ষম হৈছিল । এই জনমত সংগ্ৰহৰ বিষয় আজি আন্ত:ৰাষ্ট্ৰীয় এজেণ্ডাৰ বিষয়ো নহয়, ৰাষ্ট্ৰসংঘৰ ব্যৱস্থাৰো অন্তৰ্ভূক্ত নহয় অথবা ভাৰত-পাকিস্থানৰ দ্বিপাক্ষিক আলোচনাৰ বিষয়বস্তুও নহয় ।

ভাৰতৰ সুৰক্ষা ৰাজ্যিকো নহয় অথবা গ্ৰাম্য অঞ্চলৰ বিষয়ো নহয়, ই মূলত: কেন্দ্ৰীয় চৰকাৰৰ বিষয়বস্তু । ভাৰতৰ সাৰ্বভৌমত্ব বজাই ৰখাতো কেন্দ্ৰীয় চৰকাৰৰ দায়িত্ব । ভাৰতৰ ৰাজ্যসমূহৰ মূল দায়িত্ব হ'ল নিজৰ ৰাজ্যৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা ৰক্ষা কৰা । হিন্দুস্তানৰ বিভাজনৰ দ্বাৰা সৃষ্টি হোৱা পাকিস্থানৰ বাবে কাশ্মীৰ এক অসমাপ্ত বিষয় । পাকিস্থানে কেতিয়াও মানি লোৱা নাই যে কাশ্মীৰ ভাৰতৰ এটি অংগ । এই বিষয়টো আন্ত:ৰাষ্ট্ৰীয়্কৰণ কৰাৰ চেষ্টাতো তেওঁলোক অসফল হৈছে । ভাৰতৰ লগত যূদ্ধত পৰাস্ত হোৱাৰ পাছত যোৱা আঢ়ৈ বছৰ ধৰি পাকিস্থানে সীমাপাৰ সন্ত্ৰাসবাদৰ জড়িয়তে যুদ্ধৰ চেষ্টা চলাই আছে । আৰু ভ্ৰমিত স্থায়ী যুৱকসকলেও এই সন্ত্ৰাসবাদত সহযোগ কৰি আছে ।

শ্ৰীযুত অটল বিহাৰী বাজপেয়ীৰ সিদ্ধান্ত যে মানৱতাৰ আধাৰত সকলো বিষয়ৰ সমাধান হ'ব পাৰে ইয়াক লৈ বি জে পি প্ৰতিজ্ঞাবদ্ধ ।   এই আদৰ্শই সন্ত্ৰাসবাদৰ সমাপ্তি, সন্ত্ৰাসবাদী বুনিয়াদৰ সমাপ্তিকৰণ, শান্তি, অস্বস্তিৰ বেদনাৰ পৰা মুক্তি আৰু জন্মু আৰু কাশ্মীৰৰ জনগণৰ ভাল জীৱনৰ সমৰ্থন কৰে । এই লক্ষ্য সম্পূৰ্ণ হোৱাৰ পাছতহে কাশ্মীৰী ঘাটিৰ পৰা সেনা উঠাই ল'ব পাৰি । তেতিয়ালৈকে জন্মু আৰু কাশ্মীৰৰ জনগণ আৰু সীমাৰ সুৰক্ষাৰ বাবে সেনাৰ উপস্থিতি অন্ত্যন্ত জৰুৰী ।

পাকিস্থানে পৰামৰ্শ আগবঢ়াইছে যে কাশ্মীৰী ঘাটিৰ পৰা সেনা উঠাই ল'ব লাগে । কিছুমান পৃথকবাদী দ'লেও এই দাবীৰ সমৰ্থন জনাইছে । আম আদমী পাৰ্টিৰ দ্বৰে এটি দ'লে যি ৰাষ্ট্ৰীয় উচ্চাংকাক্ষাত পুষ্টিৰ যোগান ধৰিছে, এনেধৰণৰ ৰাষ্ট্ৰীয় স্বাৰ্থৰ বিৰুদ্ধে লোৱা স্থিতি অতি দুখ:জনক । জনমত সংগ্ৰহৰ জড়িয়তে ৰাষ্ট্ৰীয় সুৰক্ষাৰ বিষয়টো সমাধান কৰিব নোৱাৰি । ইয়াৰ সিদ্ধান্ত সুৰক্ষা ব্যৱস্থাৰ ওপৰতে নিৰ্ভৰ কৰিব । তেতিয়ালৈকে সন্ত্ৰাসবাদৰ গাঠনিঁ জন্মু আৰু কাশ্মীৰৰ ঘাটিত থাকিব আৰু তেনে ক্ষেত্ৰত সেনাৰ উপস্থিতিও জৰুৰী ।

যিবোৰ ৰাজনৈতিক দ'ল বৰ্ত্তমান পৰিস্থিতিৰ প্ৰতিক্ৰিয়াৰ উৎপত্তি তেনে দ'লৰ কোনো আদৰ্শবাদ নাই আৰু সেইয়াই মোৰ শেষ কথা ।  যেনেদ্বৰে তেওঁ লোকৰ উত্থান হ'ব তেনেদৰে তেওঁলোকৰ আদৰ্শৰ পৰিমাণো বাঢ়িব । দূৰদৃষ্টিত ইয়ৰ পৰিণাম গম্ভীৰো হ'ব পাৰে অথবা ভালো হ'ব পাৰে । বিভিন্ন বিষয়ৰ ওপৰত আম আদমী দ'লৰ স্থিতি এতিয়াও স্পষ্ট নহয় । নিৰ্বাচনৰ পাছতেই তেওঁলোকৰ নেতৃত্বৰ পৰা ইংগিত পোৱা গৈছে যে তেওঁ লোকে বিমানবন্দৰ আৰু প্ৰাকৃতিক সম্পদৰ ৰাষ্ট্ৰীয়কৰণ, ভাৰতীয় সুৰক্ষাৰ বিষয়ৰ ওপৰত দূৰ্বল স্থিতিৰ ক্ষেত্ৰত আৰু অত্যাধিক সাহাৰ্য্য প্ৰদান কৰি অত্যাধিক কৰৰ বোজাহে আৰূপ কৰিব । তেওঁলোকে বিগত ১০ দিনৰ পৰা ভাল নীতি প্ৰয়োগ কৰাৰ বিপৰীতে ইয়াৰ প্ৰতীকহে দাঙি ধৰিছে । মই আশা কৰিছো যে তেওঁলোকৰ দ'লৰ মনোবৃত্তি সলনি কৰি এই পৰিস্থিতিৰ পৰা উদ্ধাৰ হ'ব । নহ'লে উত্থানৰ দ্বৰে পতনো আৱশ্যম্ভাৱী ।